**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-MAY-2026
**Time :** 0900 HRS

***Assamese Morning Bulletin***

১। জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাক নতুন চৰকাৰ গঠনৰ বাবে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ আমন্ত্ৰণ।
২। দেশৰ জনসাধাৰণক এবছৰলৈ সোণ ক্ৰয়ৰ পৰা বিৰত থকাৰ লগতে পেট্ৰ'ল আৰু ডিজেলৰ ব্যৱহাৰত মিতব্যয়ী হ'বলৈ প্ৰধানমন্ত্ৰীৰ আহ্বান।
৩। ৰাজ্যৰ পাঁচগৰাকী সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সন্মান।
৪। কেন্দ্ৰীয় চৰকাৰৰ অষ্টম দৰমহা আয়োগত অনুমোদন। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ২ উইকেটত জয়লাভ।

০০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই জ্যেষ্ঠ বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনত নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছে। বিজেপি নেতৃত্বাধীন এন ডি এৰ বিধায়িনী দলে সৰ্বসন্মতি ক্ৰমে ড° হিমন্ত বিশ্ব শৰ্মাক নেতা হিচাপে বাচনি কৰাৰ পাছত তেওঁ কালি মিত্ৰজোঁটৰ নেতাসকলৰ সৈতে ৰাজ্যপালগৰাকীৰ ওচৰত আনুষ্ঠানিকভাৱে চৰকাৰ গঠনৰ দাবী জনায়। ড° শৰ্মাই লোকভৱনত ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি নৱনিৰ্বাচিত ১০২ গৰাকী বিধায়কৰ স্বাক্ষৰ সম্বলিত প্ৰস্তাৱ দাখিল কৰে। ড° শৰ্মাৰ সৈতে কেন্দ্ৰীয় পৰ্যবেক্ষক জে পি নাড্ডা আৰু নায়াব সিং চাইনীও উপস্থিত থাকে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীনাড্ডাই কয়, যে নিৰ্বাচনৰ ফলাফলে প্ৰধানমন্ত্ৰী মোদীৰ উন্নয়নমূলক নীতিৰ প্ৰতি জনসাধাৰণৰ সমৰ্থনকে প্ৰতিফলিত কৰিলে। তেওঁ লগতে অসমত কেন্দ্ৰৰ জনকল্যাণমূলক আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰাৰ বাবে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰশংসা কৰে।

***(বাইট ঃ জে পি নাড্ডা)***

ৰাজ্যখনত নতুন মন্ত্ৰীসভাই কাইলৈ শপতগ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি ৰাজ্যিক বিজেপিৰ সূত্ৰই প্ৰকাশ কৰিছে।

শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যানবাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কইনাধৰাৰ পৰা বিমান বন্দৰলৈ গধূৰ আৰু ধীৰ গতিৰ বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ, পেট্ৰ'ল আৰু ডিজেলৰ ব্যৱহাৰত মিতব্যয়ী হ'বলৈ আৰু বিদেশী মুদ্ৰা জমা ৰাখিবলৈ আহ্বান জনাইছে। হায়দৰাবাদত কালি এটা জনসমাৰেশত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াৰ যুদ্ধই পেলোৱা প্ৰভাৱ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। শ্ৰী মোদীয়ে ঘৰৰ পৰা কাম কৰা অৰ্থাৎ ৱৰ্ক ফ্ৰম হোম, অনলাইন আলোচনা, ভিডিঅ' কনফাৰেন্সৰ দৰে ব্যৱস্থাসমূহ

পুনৰ গ্ৰহণৰ বাবে আহ্বান জনায়। পশ্চিম এছিয়াৰ সংঘৰ্ষ তথা হৰমুজ প্ৰণালীৰে তেল পৰিবাহী আৰু বাণিজ্যিক জাহাজৰ চলাচলত বাধা আৰোপৰ পৰিপ্ৰেক্ষিতত বিশ্বজুৰি খনিজ তেলৰ দাম প্ৰতি বেৰেলত ৭০ ডলাৰৰ পৰা প্ৰায় ১২৬ ডলাৰলৈ বৃদ্ধি পোৱাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ প্ৰতি এই আহ্বান জনাইছে। শ্ৰী মোদীয়ে লগতে জনসাধাৰণক খোৱা তেলৰ ব্যৱহাৰ কমোৱাৰ লগতে কৃষকসকলক বিদেশৰ পৰা ৰপ্তানি কৰা ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ আহ্বান জনায়। পুনৰ আমদানিত বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰা ব্যৱহাৰ হয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। (বাইট ঃ মোদী)

০০০০০০

ৰাজ্যৰ পাঁচগৰাকী বিশিষ্ট সাহিত্যিকলৈ ২০২৫ বৰ্ষৰ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সন্মান আগবঢ়োৱা হৈছে। অহা ১৬ মে'ত গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনোৱা মতে সাহিত্য সভাৰ সাংবিধানিক এই সন্মান এইবাৰ ধেমাজিৰ বিশিষ্ট গৱেষক, চিত্ৰকৰ, লেখক, ড০ পুষ্প গগৈ, ডিব্ৰুগড়ৰ চাহ খেতিয়ক তথা সাহিত্যিক দেৱী প্ৰসাদ বাগ্ৰোদিয়া, নগাঁৱৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সাহিত্যিক উপেন্দ্ৰ বৰকটকী, গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক তথা জ্যেষ্ঠ সাংবাদিক জিতুমণি বৰা আৰু বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিশিষ্ট লেখক, কবি তথা গৱেষক নোমল মাহাট্টালৈ আগবঢ়োৱা হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগত অনুমোদন জনাইছে। অহা বছৰ কাৰ্যকৰী হোৱাৰ সম্ভাৱনা থকা অষ্টম দৰমহা আয়োগৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ বেতন উল্লেখনীয়ভাৱে বৃদ্ধি পাব। এই অনুসৰি কৰ্মচাৰীসকলৰ মূল বেতন ৫০ হাজাৰ টকা হোৱাৰ সম্ভাৱনা আছে। পৰিসংখ্যা অনুসৰি প্ৰথম দৰমহা আয়োগৰ পৰা সপ্তম দৰমহা আয়োগৰ পৰ্যন্ত কৰ্মচাৰীসকলৰ বেতন ৩২৮ গুণ বৃদ্ধি পাইছে। অষ্টম দৰমহা আয়োগত কৰ্মচাৰীয়ে লাভ কৰা বিভিন্ন ভাট্টা বৃদ্ধিত গুৰুত্ব আৰোপ কৰা হৈছে। চলিত বছৰৰ পহিলা জানুৱাৰীৰ পৰা সময়সীমা নিৰ্ধাৰণেৰে অষ্টম দৰমহা আয়োগ অহা বছৰৰ পৰা কাৰ্যকৰী কৰাৰ সম্ভাৱনা আছে। এই সময়সীমাৰ বৰ্ধিত বেতন এৰিয়াৰ হিচাপে কৰ্মচাৰীসকলে লাভ কৰিব। পেন্সনপ্ৰাপ্ত লোকসকলেও অষ্টম দৰমহা আয়োগৰ সুফল লাভ কৰিব।

০০০০০০

পশ্চিমবংগত বিজেপিৰ বিৰুদ্ধে বিৰোধী দলসমূহ একত্ৰিত হোৱাৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে জনোৱা আহ্বানক কংগ্ৰেছ আৰু বাওঁ দলসমূহে কঠোৰভাৱে অস্বীকাৰ কৰিছে। শ্ৰীমতী বেনাৰ্জীয়ে এটা ভিডিঅ' বাৰ্তাত কংগ্ৰেছ, চি পি আই এম আৰু কট্টৰ বাওঁ দলকে ধৰি সকলো বিৰোধী দলক বিজেপিৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান জনাইছিল। কংগ্ৰেছৰ মুখপাত্ৰ সৌম্য এ ৰয়ে এই আহ্বানক অস্বীকাৰ কৰি ২০১৩ চনত কংগ্ৰেছ কৰ্মীৰ বিৰুদ্ধে মাওবাদী হিংসাৰ কথা উল্লেখ কৰে। তেওঁ লগতে বিগত নিৰ্বাচনত কংগ্ৰেছক অপমান কৰি বিজেপিৰ উত্থানত সহায় কৰা বুলি তৃণমূল কংগ্ৰেছক অভিযোগ তোলে। ইপিনে ৰাজ্যখনত নতুনকৈ শপত গ্ৰহণ কৰা মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে মমতা বেনাৰ্জীৰ আহ্বানক অপ্ৰাসংগিক বুলি উল্লেখ কৰি তেওঁৰ কথাৰ কোনো ৰাজনৈতিক গুৰুত্ব নাই বুলি প্ৰকাশ কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ শিতানত শোণিতপুৰ জিলাৰ নিউ নপাম গাঁও পঞ্চায়তে শ্ৰেষ্ঠ গাঁও পঞ্চায়তৰ নানাজি দেশমুখ সৰ্বোত্তম পঞ্চায়তৰ বহনক্ষম বিকাশ পুৰস্কাৰ লাভ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ অন্য ৪১ খন পঞ্চায়তকো এই সন্মানৰ বাবে বাছনি কৰা হৈছে। একেদৰে নগাঁৱৰ জুমৰমুৰ গাঁও

পঞ্চায়তে স্বচ্ছ আৰু সেউজ পঞ্চায়তৰ সন্মান লাভ কৰিছে। ডিব্ৰুগড় জিলাৰ হুগ্ৰীজান গাঁও পঞ্চায়তে স্ব-নিৰ্ভৰশীল আন্তঃগাঁথনি শিতানত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

মিজোৰামৰ উত্তৰ কাৰ'ৰথা নামৰ গাঁওখনে দীনদয়াল উপাধ্যায় পঞ্চায়ত বহনক্ষম বিকাশ পুৰস্কাৰ ২০২৫ৰ অধীনত স্বচ্ছ আৰু সেউজ পঞ্চায়ত শাখাত পুৰস্কৃত হৈছে। বহনক্ষম গ্ৰাম্য উন্নয়ন আৰু পৰিৱেশ সংৰক্ষণৰ দিশত কৰা উন্নয়নমূলক কাম-কাজৰ বাবে গাঁওখনে এই পুৰস্কাৰ লাভ কৰিছে।

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কিছুদিন পূৰ্বে এই পুৰস্কাৰসমূহ ঘোষণা কৰে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে গ্ৰাম্য প্ৰশাসনৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ প্ৰচেষ্টা আৰু পৰিৱেশ অনুকূল অভ্যাস গঠনৰ বাবে গাঁওবাসীক উৎসাহিত কৰাৰ প্ৰয়াসৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে। এই স্বীকৃতিয়ে গ্ৰাম্য প্ৰশাসন আন্তঃগাঁথনিৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ পৰা বহনক্ষম বিকাশ নিশ্চিত কৰাৰ কথাকে প্ৰতীয়মান কৰিছে।

oooooo

ডিমা হাচাও জিলাৰ হাফলঙত আজি ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ ৭৫ বছৰীয়া প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ চৌহদত হ'বলগীয়া এই অনুষ্ঠান দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হ'ব। অনুষ্ঠানত পৰিষদৰ সফলতা, জিলাখনৰ সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰা হ'ব।

জিলাখনত স্বায়ত্তশাসিত পৰিষদৰ ঐতিহাসিক যাত্ৰা আৰু ডিমা হাচাওৰ জনসাধাৰণৰ সেৱা আৰু জিলাখনৰ উন্নতিৰ বাবে পৰিষদৰ পদক্ষেপসমূহক উদযাপন কৰাৰ উদ্দেশ্যে পৰিষদে এই অনুষ্ঠানৰ আয়োজন কৰিছে। পুৱা ১০ বাজি ১৫ মিনিটত আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত অতিথিসকলক বিশেষকৈ মৌজাদাৰ, গাঁওবুঢ়া, শিক্ষাৰ্থী আৰু বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিনিধিসকলক আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে অনুষ্ঠান উপলক্ষে স্থাপন কৰা বিভিন্ন বিপণী মুকলি কৰাৰ লগতে ঠায়ে ঠায়ে গছপুলি ৰোপণ কৰা হ'ব। এই অনুষ্ঠানতেই পৰিষদৰ প্ৰয়াত মুখ্য কাৰ্যবাহী ছেমুৱেল ছেংচনৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হ'ব। বৰ্তমান ডিমা হাচাও জিলাৰ প্ৰশাসনৰ গুৰুত্বপূৰ্ণ সাফল্যসমূহ সামৰি নিৰ্মাণ কৰা এখন চুটি তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হ'ব। সাংস্কৃতিক অনুষ্ঠানত পাহাৰীয়া জিলাখনত বসবাস কৰা ডিমাচা, জেমি, কুকী, হামাৰ, বাইটে, কাৰ্বি, জয়ন্তীয়া, ৰাংখোল আদি জনগোষ্ঠীৰ চহকী কৃষ্টি-সংস্কৃতিক প্ৰদৰ্শন কৰা হ'ব। ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱ'লাল গাৰ্লোচাৰ ভাষণেৰে দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰিব।

oooooo

বিশ্বনাথ জিলাৰ বিহালী আৰু হেলেম আৰক্ষীয়ে যুটীয়া অভিযান চলাই কালি মাঘে ৰৌমাৰি গাঁৱৰ পৰা আলফাৰ লিংক মেলনৰ সন্দেহত এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি বিগত বৰ্ষৰ নৱেম্বৰত বৰঙাবাৰীৰ এজন ব্যৱসায়ী গজেন অসম নামৰ আলফাৰ এজন সদস্যই ধন দাবী কৰিছিল। আলফাৰ সদস্যজনক যোৱা ২৪ এপ্ৰিলত সেনা বাহিনীয়ে নাগালেণ্ড সীমান্তৰ পৰা আটক কৰি শিৱসাগৰ আৰক্ষীক গতাই দিয়ে। এই সদস্যজনৰ স্বীকাৰোক্তিৰ ভিত্তিতেই আৰক্ষীয়ে কালি হৰেন দাস নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ইতিমধ্যে লোকজনৰ বিৰুদ্ধে হেলেম থানাত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে, মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৱে ১৬৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ৰুনাল পাণ্ডিয়াই সৰ্বাধিক ৭৩ ৰান কৰে। মুম্বাইৰ কৰবিন বছে চাৰিটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত

২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ তিলক বাৰ্মাই সৰ্বাধিক ৫৭ ৰান কৰে। বেংগালুৰুৰ ভূৱনেশ্বৰ কুমাৰে চাৰিটা উইকেট দখল কৰে। ভূৱনেশ্বৰ কুমাৰক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত কালি অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি জ'চ ইংলিচৰ ৮৫ ৰানৰ সহায়ত নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ২০৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ১৯ অভাৰ দুটা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ উৰ্ৱিল পেটেলে ৬৫ ৰান কৰে।

প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ্ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰ ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

ফিফা **১৭** বছৰ অনূৰ্ধৰ মহিলা বিশ্বকাপ প্ৰতিযোগিতাত স্থান লাভ কৰাৰ লক্ষ্যৰে ভাৰত আজি AFC **১৭** বছৰ অনূৰ্ধৰ এছিয়ান কাপৰ কোৱাৰ্টাৰ ফাইনেলত আয়োজক চীনৰ মুখামুখি হ'ব। ছুঝৌ স্প'ৰ্টছ চেণ্টাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এই খেলখনত জয়লাভ কৰিলেই ভাৰতে ফিফা **১৭** বছৰ অনূৰ্ধৰ মহিলা বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিব। ইয়াৰ পূৰ্বে কেৱল আয়োজক দেশ হিচাপেহে বিশ্বকাপত স্থান লাভ কৰা ভাৰতীয় মহিলা ফুটবল দলৰ বাবে খেলৰ জৰিয়তে যোগ্যতা অৰ্জন কৰি বিশ্বকাপত প্ৰৱেশ কৰাৰ এয়া হ'ব ইতিহাসৰ প্ৰথমটো সুযোগ।

ইয়াৰ পূৰ্বে জেড্ডাত অনুষ্ঠিত AFC পুৰুষৰ **১৭** বছৰ অনূৰ্ধৰ এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ কালিৰ গ্ৰুপ-ডিৰ এখন নিৰ্ণায়ক খেলত উজবেকিস্তানৰ হাতত ৩-০ গ'লত পৰাস্ত হোৱাৰ লগে লগে ভাৰতৰ পুৰুষ দলৰ ২০২৬ বৰ্ষৰ ফিফা **১৭** বছৰ অনূৰ্ধৰ বিশ্বকাপত অংশগ্ৰহণৰ স্বপ্ন ভংগ হয়।

ইয়াৰ পূৰ্বে অনুষ্ঠিত উদ্বোধনী খেলখনতো ভাৰত অষ্ট্ৰেলিয়াৰ হাতত ৪-০ ব্যৱধানত শোচনীয়ভাৱে পৰাস্ত হৈছিল। নিয়ম অনুসৰি প্ৰতিটো গ্ৰুপৰ শীৰ্ষ দুটা দলেহে পৰৱৰ্তী পৰ্যায়লৈ অগ্ৰগতি লাভ কৰে।

০০০০০০

ড° হিমন্ত বিশ্ব শৰ্মা পুনৰবাৰ অসমৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাটো নিশ্চিত হোৱা, কাইলৈৰ শপত গ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতি, সকলোকে মিতব্যয়ী হ'বলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান, তামিলনাডুত টিভিকেৰ মুৰব্বী চি যোচেফ বিজয়ৰ মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ, ৰাজ্যৰ ৫গৰাকী সাহিত্যিকলৈ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

ইয়াৰে এনডিএৰ বিধায়িনী দলৰ নেতাৰূপে নিৰ্বাচিত হৈ ক্ৰমাগত দ্বিতীয়বাৰলৈ ড° হিমন্ত বিশ্ব শৰ্মা অসমৰ মুখ্যমন্ত্ৰীৰূপে অধিষ্ঠিত হোৱাৰ বাট প্ৰশস্ত হোৱা তথা কাইলৈৰ শপত গ্ৰহণৰ বাতৰিটো প্ৰতিখন কাকতেই প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে স্থান দিছে। বাতৰিটো অসমীয়া খবৰ কাকতে 'NDAৰ বিধায়িনী দলৰ নেতা হিচাপে হিমন্ত বিশ্ব নিৰ্বাচিত, **১২** মে'ত মুখ্যমন্ত্ৰীৰূপে শপত' - অসমীয়া প্ৰতিদিন কাকতে 'কাইলৈ প্ৰধানমন্ত্ৰীৰ উপস্থিতিত পুনৰ মুখ্যমন্ত্ৰীৰূপে শপত ল'ব ড° শৰ্মাই - আৰু দি আছাম ট্ৰিবিউনে 'Sarma to take oath as CM on May 12' শিৰোনামেৰে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতত বাতৰিটোৰ শীৰ্ষক -"ড° হিমন্ত বিশ্ব শৰ্মাই পৰৱৰ্তী মুখ্যমন্ত্ৰী'।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক ডিজেল-পেট্ৰ'ল আদি ব্যয়ত মিতব্যয়ী হ'বলৈ জনোৱা আহ্বানৰ বাতৰিটোও আজিৰ কাকতসমূহে যথেষ্ট গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ইয়াৰ আঁৰৰ কাৰক তথা ভৱিষ্যতৰ আশংকা সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে - 'ভয়াৱহ দিন আসন্ন! ইন্ধন ৰাহিৰ বাবে ৱৰ্ক ফ্ৰম হোম কৰিবলৈ আহ্বান প্ৰধানমন্ত্ৰীৰ' শিৰোনামৰ এটা বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে। আমাৰ

অসম কাকতত বাতৰিটোৰ শীৰ্ষক - "পেট্ৰ'ল ডিজেল গেছ ব্যৱহাৰত সংযমী হওক; হঠাৎ মোদীৰ আহ্বান।"

তামিলনাডুৰ নতুন মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে "তামিলনাডুত আৰম্ভ বিজয়ৰাজ, অৱশেষত শপত ল'লে চলচ্চিত্ৰ তাৰকা বিজয়ে" আৰু দা ছেণ্টিনেল কাকতে "Vijay Sworn in as Tamilnadu CM" শীৰ্ষক দিছে।

ৰাজ্যৰ ৫গৰাকী বিশিষ্ট সাহিত্যিকলৈ অসম সাহিত্য সভাৰ সভাপতিৰ বিশেষ সাহিত্য সন্মান আগবঢ়োৱাৰ বাতৰি এটাকো আজিৰ কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ উভতি যাওঁ।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**